*গীত এটা কেৱল কথাৰ জোৰত কেতিয়াও জনপ্ৰিয় হ'ব নোৱাৰে যদিহে গীতটোৰ সুৰ আকৰ্ষণীয় নহয়। জুবিন গাৰ্গৰ গীতৰ আটাইতকৈ শক্তিশালী উপাদানটোৱেই হৈছে গীতৰ সুৰ। জুবিনৰ যাদুকৰী গায়নশৈলীৰ লগতে গীতৰ বিষয়বস্তুৰ প্ৰতি লক্ষ্য ৰাখি তাৰ সুবিন্যস্ত কথাভাগত অপূৰ্ব সুৰ সংযোজন কৰিব পৰা অনন্য ক্ষমতা আছে।*

# জুবিন গাৰ্গৰ সৃষ্টিৰাজিত শব্দ-সুৰ-তালৰ সংমিশ্ৰণ ঃ এটি চমু অৱলোকন

**ভাৰ্গৱ বৰঠাকুৰ**

নিজস্ব সৃষ্টিৰাজিৰে তথা স্বকীয় প্ৰকাশভংগীৰে জীৱন্ত কিংবদন্তিলৈ ৰূপান্তৰিত হোৱা জুবিন গাৰ্গৰ অসমীয়া সংগীত জগতলৈ অৱদান সম্পৰ্কে নতুনকৈ কোৱাৰ হয়তো কোনো প্ৰয়োজন নাই। তথাপি জুবিন গাৰ্গৰ সৃষ্টিৰাজিয়ে যিখিনি সন্মান পাব লাগিছিল সেইখিনি পোৱা দেখা নাযায়। দুটা দশকৰো অধিক কাল অসমীয়া সংগীত জগতৰ ভঁৰাল চহকী কৰা জুবিন গাৰ্গৰ দৰে স্বনামধন্য সংগীত শিল্পী এজনক যেতিয়া কেৱল এজন খেয়ালী আৰু সংগীতৰ বাদে সামাজিক জীৱনত এজন বিতৰ্কিত ব্যক্তি আৰু 'জনপ্ৰিয় গায়ক' হিচাপেহে প্ৰক্ষেপিত কৰি শিৰোনাম প্ৰকাশ কৰা হয় তেতিয়াই জুবিন গাৰ্গ সম্পৰ্কে মানুহৰ অজ্ঞতা কিমান পৰ্যায়ৰ তাক চিনিব পাৰি। জুবিন গাৰ্গে সংগীত জগতত কেৱল এজন গায়ক হিচাপেই আত্মপ্ৰকাশ কৰা নাছিল। 'অনামিকা' শ্ৰব্য এলবামৰ যোগেদি এজন সফল গীতিকাৰ আৰু সুৰকাৰ হিচাপে নবৈৰ দশকতেই নিজৰ পৰিচয় দি থৈছে। "বেদনাৰ জ্বলা জুই কেতিয়া নুমাবা" বুলি 'অনামিকা'ৰ প্ৰতি আবেগিক প্ৰশ্ন কৰা সেই জুবিনৰ কলমৰপৰা আজিও নিগৰিত হৈ আছে এনে বহু চিৰসেউজ গীতৰ কলি। জুবিন গাৰ্গৰ নিজস্ব সৃষ্টিৰাজিৰ সুকীয়া পৰিচয় আছে। বহুক্ষেত্ৰত গীতৰ কথা, সুৰ শুনিলেই বুজিব পাৰি যে গীতটো জুবিন গাৰ্গৰ নিজস্ব সৃষ্টি। গীতবোৰত বিশেষকৈ নিঃসংগতা, বিষণ্ণতা, প্ৰাপ্তি-অপ্ৰাপ্তিৰ অনুভৱবোৰক প্ৰতিফলিত কৰা দেখা যায়। শব্দ আৰু ভাষাৰ বলিষ্ঠ প্ৰয়াস তেওঁৰ গীতবোৰত লক্ষ্য কৰা যায়। কেতিয়াবা যদি প্ৰকৃতিৰ সৌন্দৰ্যৰ মাজত প্ৰেমৰ সন্ধান বিচাৰি "কঁকাল খামুচীয়া গাল গুলপীয়া/তুমি কোন সৰগৰ পৰী..."ৰ দৰে গীত লিখিছে, কেতিয়াবা আকৌ সোণৰ অসম গঢ়াৰ আহ্বান গীতৰ মাজেৰেই প্ৰকাশ কৰিছে! এগৰাকী পুৰুষ গীতিকাৰৰ বাবে নিজকে গাভৰু ৰূপে কল্পনা কৰি গীত লিখাটো কষ্টকৰ কাম। জুবিন গাৰ্গে নিজকে এগৰাকী গাঁৱৰ সাধাৰণ গাভৰু হিচাপে কল্পনা কৰি প্ৰেমৰ চেতনাক খুব সুন্দৰভাৱে প্ৰকাশ কৰিছে এনেধৰণৰ গীত কিছুমানেৰে—"ফাগুন আহিলেই বৈ/সপোন আহিলেই বৈ/হিয়াৰ দুটিপাৰ ওপচাই..." *(শ্ৰব্য কেছেট ঃ স্নিগ্ধ জোনাক, কণ্ঠ ঃ মহালক্ষ্মী আয়াৰ)* আৰু "শালিকী পুৱাৰ ৰ'দালি দেখিলেই/তোমালৈয়ে মোৰ মনত পৰে..."ৰ *(চলচ্চিত্ৰ ঃ গানে কি আনে-২০১৬, কণ্ঠ ঃ মহালক্ষ্মী আয়াৰ, কথা-সুৰ ঃ জুবিন)* দৰে কোমল অনুভূতিপ্ৰৱণ প্ৰেমৰ গীতসমূহে!

জুবিন গাৰ্গৰ গীতত অকল যে প্ৰেম-ভালপোৱাৰ কথাই প্ৰকাশ পায় তেনে নহয়। প্ৰতি দুবছৰৰ মূৰে মূৰে ওলোৱা তেওঁৰ নিজা এলবামবোৰত সন্ত্ৰাসবাদ আৰু স্বদেশপ্ৰেমমূলক গীতৰ উদাহৰণো দেখা যায়। বিভিন্ন সময়ত সন্ত্ৰাসবাদে সৃষ্টি কৰা অসমৰ অৰাজক পৰিস্থিতিক লৈ জুবিনে নিজৰ ক্ষোভৰ বহিঃপ্ৰকাশ কৰিছিল এনে কিছুমান গীতৰ জৰিয়তে—

"শান্তি দিয়া/মুক্তি দিয়া/সোণৰ অসম ৰচিবলৈ/সেউজ দিয়া/শস্য দিয়া/চিৰকাল ফুলিবলৈ..." *(শ্ৰব্য কেছেট ঃ শিশু-২০০২, কথা-সুৰ-সংগীত-কণ্ঠ ঃ জুবিন)।*

কেতিয়াবা অসমী আইক সোণৰ লগত তুলনা কৰি আবেগিক প্ৰশ্ন কৰিছে—"সোণেৰে সজোৱা পঁজা জহি খহি যায়/কোনে আজি সাজিবহি পাৰিব দুনাই...?" শীৰ্ষ গীতটোৰ প্ৰথম অন্তৰাটোত সেই সময়ৰ অৰাজকতাৰ কথা খুব সুন্দৰকৈ এনেদৰে প্ৰকাশ কৰিছে—"বুঢ়ী আইৰ জুহালতে চকুলো শুকাই/দেউতাৰো একে দশা পদূলিলে চাই/বহুদিন হ'ল সৰু বোপাৰ মুখ দেখা নাই/চেনেহীৰ আকাশত আজি জোনতৰা নাই।" *(মুক্তি-১৯৯৮, কথা-সুৰ-সংগীত-কণ্ঠ ঃ জুবিন)।* জুবিনে বিভিন্ন সময়ত বিভিন্ন গীতৰ মাজেৰেই শাসক পক্ষৰ ওপৰতো ক্ষোভ উজাৰিছে—"মৰণ যজ্ঞৰ ধোঁৱা/স্বাধীনতা বুলি কোৱা/কাৰ বাবে কোৱা?..." *(শ্ৰব্য কেছেট ঃ যন্ত্ৰ-২০০৪, কথা-সুৰ-সংগীত-কণ্ঠ ঃ জুবিন)।*

আকৌ 'অন্ধ আকাশ' শীৰ্ষক গীতটোৰ এটা অন্তৰাত ক্ষোভৰ প্ৰতিবাদ এনেধৰণৰ—"অন্ধ শাসন ভণ্ড শাসক/অৰ্থ লোভৰ নগ্ন যুঁজত/জীৱন মৰণৰ স্বপ্ন বাহক/মগ্ন বিভোৰ অন্ধ সুখত...।" *(শ্ৰব্য কেছেট ঃ মুক্তি-১৯৯৮, কথা-সুৰ-সংগীত ঃ জুবিন, কণ্ঠ ঃ জুবিন-জংকী)।* গীতৰ মাজেৰেই বিষয়ক লৈ তেওঁ ক্ষোভ উজাৰিছে, প্ৰতিবাদ কৰিছে যদিও কিছুমান গীতত ভৱিষ্যতৰ আশা-আকাংক্ষা, উচ্চাকাংক্ষী মনৰ প্ৰকাশো কৰিছে। সেয়েহে তেওঁ লিখিছে—"জগত পোহৰ কৰি আহিব প্লাৱন/আঁতৰাব অমানিশা বধিব ৰাৱণ/নিকা হ'ব সমাজ/শেষ হ'ব এই পাপ/ফুলি ৰ'ব প্ৰেম শতদল...।" *(শ্ৰব্য কেছেট ঃ শব্দ-১৯৯৮, কথা-সুৰ-সংগীত-কণ্ঠ ঃ জুবিন)।*

অভিলাষী সপোনৰ লগতে জুবিনৰ অদম্য আশা আৰু বিশ্বাসৰ প্ৰতিফলন ঘটিছে এনেবোৰ গানৰ জৰিয়তে—"পোহৰৰে চাকি গছি আমি জ্বলামেই এদিন জ্বলাম/সুৰে সুৰে গীত ৰচি আমি গানেৰেই জীৱন যোৰাম..." *(চলচ্চিত্ৰ ঃ তুমি মোৰ মাথোঁ মোৰ-২০০০, সংগীত পৰিচালক ঃ জুবিন)।* শেহতীয়াকৈ মুক্তি পোৱা 'মা' এলবামৰ (২০১৯) গীতবোৰত জুবিন গাৰ্গৰ সাংগীতিক চিন্তাধাৰাই যেন নতুন সোৱাদ দিছে। 'মা' এলবামৰ 'কেতিয়াবা' শীৰ্ষক গীতটোত জুবিন গাৰ্গে জীৱনৰ বিস্ময়কৰ সময়বোৰ, বিচিত্ৰ আবেগ-অনুভূতিবোৰক প্ৰকৃতিৰ ৰ'দ-বৰষুণ, ফুলৰ লগত তুলনা কৰি, কবিতা কবিতা যেন লগা গীতটোক খুব সুন্দৰভাৱে এনেদৰে সুৰেৰে সজাইছে—

"কেতিয়াবা ফুল ফুলে/কেতিয়াবা ফুল সৰে/কেতিয়াবা নিজমতো শব্দ হৈ কথা